# গ্ৰাম্য পানী-যোগান আঁচনিৰ পৰিচালনা সমিতিৰ উপবিধি-১৯৯৫

জনস্বাস্থ্য কাৰিকৰী বিভাগ

অসম চৰকাৰ

হেঙেৰাবাৰী, গুৱাহাটী-৬।

পানী আৰু বায়ু এই দুয়োটা আনকি নহলে প্ৰাণী জীয়াই থাকিব নোৱাৰে। কিন্তু আজিৰ বিজ্ঞানৰ উন্নতিৰ লগে লগে দিনে মানুহৰ অৰ্থনৈতিক উন্নতি হৈছে তাৰ বিপৰীতে কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা ধোঁৱা আৰু ৰাসায়নিকবোৰে খেতিপথাৰত বৰ্দ্ধিত কীট নাশক ঔষধৰ ব্যৱহাৰে, বায়ু তথা পানীৰ উৎসবোৰৰ দূষিত কৰণত যথেষ্ট প্ৰভাৱ পেলাইছে। আমি সকলোৱে জানো যে মানুহৰ জীৱন হানিকাৰক বেছিভাগ বেমাৰ বিশুদ্ধ পানীৰ অভাৱৰ বাবেই হয়। বিশুদ্ধ পানীৰ অভাৱৰ বাবে শিশুৰ মৃত্যুৰ হাৰো যথেষ্ট বেছি।

সেয়েহে অসম চৰকাৰে বিশেষকৈ গ্ৰাম্য অঞ্চলত বিশুদ্ধ পানী-যোগানত যথেষ্ট গুৰুত্ব দিছে। ইতিমধ্যে গ্ৰাম্য অঞ্চলসমূহত ৩০০০ৰো অধিক পাইপ পানী-যোগান আঁচনি আৰু ১৫০০০০তকৈ অধিক বিভিন্ন নলীনাদ, কুঁৱা আদি বহুৱাইছে।

চৰকাৰৰ প্ৰাথমিক আঁচনিবোৰৰ জৰিয়তে ৰাস্তাৰ কাষত স্থাপিত নলীৰ (Street tap) জৰিয়তে পাইপ পানী-যোগান ধৰা হৈছিল। কিন্তু বৰ্ত্তমানে জনসাধাৰণে এই বিতৰণ পদ্ধতি আগবঢ়াই আৱাসগৃহ সমূহতো নলীৰে পানীৰ সংযোগৰ বাবে দাবী কৰি আহিছে। ৰাইজৰ দাবীৰ প্ৰতি সন্মান জনাই চৰকাৰে এই আঁচনিৰ সম্প্ৰসাৰণ কৰিব বিচাৰিছে। তাৰ বাবদ প্ৰতি আৱাসগৃহৰ পৰা প্ৰতি মাহে ৫০ টকা আৰু স্থায়ী জমা (security money) হিচাবে ৬০০ টকা নিৰ্দ্ধাৰণ কৰি পানী-যোগানৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে। এই সংগৃহীত টকা সমূহৰ হিচাব-নিকাচৰ বাবে পানী-যোগানৰ দ্বাৰা উপকৃত স্থানীয় বাসিন্দা সমূহৰ দ্বাৰা গঠিত কিছুমান পৰিচালনা সমিতি গঠন কৰিব বিচৰা হৈছে। এই সমিতি সমূহে সংগৃহীত টকা পইচাৰ বাহিৰেও আঁচনি সমূহৰ ৰক্ষণাবেক্ষণ, মেৰামতি আৰু পৰিচালনাৰ কামত জড়িত হ'ব। ইয়াৰ জৰিয়তে ৰাইজক তেওঁলোকে ব্যৱহাৰ কৰা পানীৰ গুণগত মানৰ বিষয়ে অধিক সজাগ কৰিব আৰু পানী-যোগান আঁচনি সমূহ তেওঁলোকৰ নিজৰ সম্পত্তি বুলি আৰু তাৰ ৰক্ষণাবেক্ষণ আৰু মেৰামতিৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰিব বুলি ভৰা হৈছে।

কিন্তু এই সমিতিবোৰ চৰকাৰৰ প্ৰচলিত নীতি-নিয়মৰ মাজেৰে পৰিচালিত হব লাগিব। এই কথা আগত ৰাখি এই উপবিধিখন প্ৰস্তুত কৰা হৈছে আৰু ইয়াক চৰকাৰৰ চিঠিৰ জৰিয়তে অনুমোদন কৰা হৈছে।

আমি আশা ৰাখিছো ইয়াৰ দ্বাৰা জনসাধাৰণৰ সংগৃহীত টকাৰ সঠিক বিৱৰণ পোৱা যাব। যিহেতু এই ধৰণৰ উপবিধি সম্পূৰ্ণ নতুন সেয়ে জনসাধাৰণৰ ওচৰত বিনম্ৰ অনুৰোধ তেওঁলোকে আমাক দিহা পৰামৰ্শ দি আৰু অধিক ফলপ্ৰসূ বিধি প্ৰস্তুত কৰিবৰ বাবে উৎসাহ যোগাব।

জনস্বাস্থ্য কাৰিকৰী বিভাগ
অসম চৰকাৰ
হেঙেৰাবাৰী
গুৱাহাটী-৬।

পানী-যোগান আঁচনিৰ পৰিচালনা আৰু সুলভ মূল্যৰ শৌচাগাৰ নিৰ্মাণৰ প্ৰস্তাৱিত সংবিধান বিধিসমূহ ঃ—

১। সমিতিৰ নাম .................................................................................

২। সমিতিৰ কাৰ্য্যালয়ৰ ঠিকনা ................................................................

৩। সমিতিৰ কাৰ্য্যকাল ঃ দুই বছৰ

৪। সমিতিৰ পৰিসীমা ঃ পানী-যোগান আঁচনিৰ পৰিসীমাই সমিতিৰ পৰিসীমা । আঁচনিৰ সম্প্ৰসাৰণৰ লগে লগে সমিতিৰ পৰিসীমাৰও সম্প্ৰসাৰণ ঘটিব । পৰিসীমাৰ অন্তৰ্গত পানী-যোগানৰ সকলো ধৰণৰ আঁচনি আৰু অনাময় আঁচনিৰ দায়িত্বও সমিতিৰ ওপৰত থাকিব ।

৫। সমিতিৰ উদ্দেশ্য ঃ
(ক) বিশুদ্ধ প্ৰয়োজনীয় পানী-যোগানৰ প্ৰতি লক্ষ্য ।
(খ) স্বাস্থ্যসম্মত শৌচাগাৰ নিৰ্মাণৰ প্ৰতি লক্ষ্য ।
(গ) আঁচনিৰ সাব্যস্তকৰণ আৰু সম্প্ৰসাৰিত কৰণৰ ব্যৱস্থা কৰা ।
(ঘ) কাৰিকৰী সম্ভাৱনীয়তা সম্বন্ধীয় অধ্যয়নত অংশ গ্ৰহণ ।
(ঙ) পানীযোগান দিব পৰা গৃহ নিৰ্বাচন ।
(চ) স্থাপিত কৰা ৰাজহুৱা পানীকল সমূহৰ প্ৰয়োজন ভিত্তিক বিলুপ্তি/সলনি ঘটোৱা ।

৬। সাধাৰণ সভাৰ সদস্য ঃ এলেকাৰ ভিতৰত পানী-যোগানৰ সুবিধা গ্ৰহণ কৰা সকলো ব্যক্তিকে সাধাৰণ সভাৰ সদস্য হিচাবে গণ্য কৰা হ'ব ।

৭। সভ্য ভৰ্ত্তিৰ বৰঙণি ঃ এক কালিন ৫/- (পাঁচ) টকা ।

৮। কাৰ্য্যকৰী সমিতিৰ বৰ্দ্ধিত সংখ্যক সভ্যই দুৰ্নীতিত লিপ্ত হ'লে সাধাৰণ সভাই আৱশ্যকীয় ব্যৱস্থা ল'ব ।

৯। সাধাৰণ সভা বছৰত কমেও এবাৰ বহিব লাগিব ।

১০। কাৰ্য্যকৰী সমিতিৰ গঠন আৰু ক্ষমতা ঃ

(ক) কাৰ্য্যকৰী সমিতি এখন নিম্নলিখিত সদস্যৰ দ্বাৰাই গঠন আৰু পঞ্জীয়নভূক্ত হব লাগিব ।

সভাপতি — ১ জন
উপ-সভাপতি — ১ জন

সম্পাদক — ১ জন
সহকাৰী সম্পাদক — ১ জন
কোষাধ্যক্ষ — ১ জন
সদস্য — ১০ জন।

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাই আহ্বায়ক সদস্য হিচাবে কাৰ্য্যনিৰ্বাহ কৰিব আৰু সকলো কাম নিয়াৰিকৈ কৰাৰ দায়িত্ব জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ওপৰত ন্যস্ত থাকিব।

(খ) ওপৰোক্ত পদ্ধতিৰে গঠিত সমিতিখনে নিম্নলিখিত অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ পৰা একোজন সদস্য সমিতিত অন্তৰ্ভূক্ত কৰিব পাৰিব।

১। গাওঁ পঞ্চায়ত

২। স্থানীয় শিক্ষানুষ্ঠান

৩। মহিলা সমিতি

৪। স্থানীয় সমাজ সেৱক

৫। স্থানীয় বে-চৰকাৰী সংস্থা।

(গ) কাৰ্য্যকৰী সমিতিৰ সদস্য হবলৈ তলত উল্লেখিত যোগ্যতা সমূহৰ অন্ততঃ এটাৰ অৰ্ন্তভূক্ত হব লাগিব।

১। স্থানীয় বাসিন্দা হব লাগিব।

২। আৱাসগৃহত পানী-যোগান লোৱাত ইচ্ছুক ব্যক্তি হব লাগিব।

৩। সমিতিৰ নিয়মাৱলী মানি চলিব লাগিব।

৪। স্থানীয় মহিলা সমিতিৰ মুৰব্বী।

৫। গাওঁবুঢ়া বা গাৱঁৰ মুখ্য লোক।

৬। প্ৰাইমাৰী স্কুলৰ শিক্ষক/শিক্ষয়িত্ৰী।

৭। অঙ্গনবাদী সেৱক/গ্ৰামসেৱক-সেবিকা

৮। পঞ্চায়তৰ সদস্য বা সমাজ সেৱক/সেৱিকা।

(ঘ) প্ৰথমতে এখন তদৰ্থ কমিটি গঠন কৰি যিমান সোনকালে পাৰি কাৰ্য্যকৰী সমিতিখন সাধাৰণ সভাই ভোটৰ দ্বাৰা নিৰ্বাচন কৰিব।

(ঙ) সভাপতি আৰু আন আন বিষয়ববীয়া সকলো, সভ্য সকলৰ ভোটৰ দ্বাৰাই নিৰ্বাচিত হ'ব।

(চ) কাৰ্য্যকৰী সমিতিৰ বৈঠক বছৰত অতি কমেও চাৰি (৪) বাৰ বহিব লাগিব। ইয়াৰ বাহিৰেও প্ৰয়োজন সাপেক্ষে যিকোনো সময়ত বহাৰ ব্যৱস্থা থাকিব।

(ছ) কাৰ্য্যকৰী সমিতিৰ থূল ঃ মুঠ সদস্যৰ ১/৩ (তিনি ভাগৰ এভাগ) সদস্য উপস্থিত থাকিব লাগিব।

(জ) কোনো সভ্যই কোনো নিয়ম ভঙাৰ উপযুক্ত প্ৰমাণ পালে সমিতিৰ সভাপতিয়ে শাস্তি বিহাৰ ক্ষমতা থাকিব।

(ঝ) কাৰ্য্যকৰী সমিতিয়ে কোনো জৰুৰীকালীন অৱস্থাত যাৱতীয় প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

পুঁজি সংগ্ৰহ ঃ

(ক) প্ৰতি আৱাসগৃহত পানী-যোগানৰ নলী-সংযোগৰ বাবদ মাচুল এবাৰহে দিব লাগিব। উক্ত টকা ঘূৰাই দিয়া নহয়। মাচুলৰ পৰিমাণ ৬০০·০০ (ছশ) টকা।

(খ) পানী-যোগান ধৰাৰ বাবদ প্ৰতি আৱাসগৃহৰ বাবে প্ৰতি মাহৰ মাচুল ৫০·০০ (পঞ্চাশ) টকা।

(গ) পথৰ কাষত দিয়া পানী-যোগান নলীৰ পানী ব্যৱহাৰ কৰা মানুহৰ পৰা মাচুল সংগ্ৰহ কৰিবলৈ সমিতিয়ে পৰ্য্যালোচনা কৰি ব্যৱস্থা লব পাৰিব।

(ঘ) ব্যৱসায়ীক অনুষ্ঠানত (হোটেল, দোকান ইত্যাদি) পানী-যোগানৰ মাচুল।

১। প্ৰতিটো পানী-যোগানৰ সংযোগৰ বাবদ ১,৫০০·০০(পোন্ধৰ শ) টকা।

২। পানী যোগান ধৰা বাবদ প্ৰতি মাহৰ মাচুল ১০০·০০ (এশ) টকা।

(ঙ) কোনো ব্যক্তি বা অনুষ্ঠানে পানী-যোগান আঁচনিটোৰ পৰা সমিতিৰ অনুমতি সাপেক্ষে ট্ৰাকেৰে বা অন্য কোনো উপায়েৰে নিজৰ ব্যৱহাৰৰ বাবে পানী ল'লে, সেই পানীৰ বাবদ সমিতিয়ে মূল্য নিৰ্দ্ধাৰণ কৰি সংগ্ৰহ কৰিব।

(চ) পানী-যোগান আঁচনিৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ খৰচ বৃদ্ধিৰ সাপেক্ষে পানী-যোগানৰ মাচুল বৰ্দ্ধিতকৰণ হ'ব।

(ছ) মাহিলী মাচুল সংগ্ৰহৰ পৰা পোৱা সমূহ পুঁজি ৰাষ্ট্ৰীয়কৃত/গাঁৱলীয়া/কো-অপাৰেটিভ বেংক এটাত (সমিতিয়ে নিৰ্দিষ্ট কৰি দিয়া মতে) জমা ৰখা হ'ব।

(জ) গ্ৰাহকসকলে প্ৰতি মাহৰ ২০(বিশ) তাৰিখৰ ভিতৰত মাহিলি মাচুল পৰিশোধ কৰিব লাগিব।

(ঝ) সমিতিয়ে ঠিক কৰি দিয়া মহে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত মাচুল নিজে গৈ বেংকত বা সমিতিৰ কাৰ্য্যালয়ত জমা দিব লাগিব। নিৰ্দিষ্ট কৰি দিয়া সময় পাৰ হৈ যোৱাৰ পিছত মাহে ২(দুই) টকাকৈ জৰিমনা ভৰিব লাগিব। তিনিমাহ একেলগে মাচুল দিব নোৱাৰিলে পানীযোগান বিচ্ছিন্ন কৰা হ'ব।

(ঞ) পুনৰ পানীযোগানৰ সংযোগ পাবলৈ হ'লে আগৰ বাকী থকা সকলোখিনি মাচুল পৰিশোধ কৰাৰ উপৰিও ১৫০/-(এশ পঞ্চাশ) টকা ওপৰঞ্চি দিব লাগিব।

(ট) সমিতিৰ কাৰ্য্যালয়ত সংগৃহীত পুঁজি ৪৮(আঠচল্লিশ) ঘণ্টাৰ ভিতৰত নিৰ্দিষ্ট বেংকত জমা হব লাগিব।

১২। পুঁজি নিয়ন্ত্ৰণ ঃ

(ক) সমিতিৰ সংগৃহীত পুঁজি সমিতিয়ে নিৰ্দিষ্ট কৰি দিয়া বেংকত সমিতিৰ নামত জমা থাকিব আৰু উক্ত হিচাব (একাউন্ট) সমিতিৰ সভাপতি আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংমণ্ডল বিষয়াগৰাকীয়ে যুটীয়াভাৱে লেনদেন/পৰিচালনা কৰিব।

(খ) প্ৰতি মাহতে সভাপতি আৰু কাৰ্য্যবাহী অভিযন্তাই আঁচনিটোৰ জমা-খৰচ সম্পৰ্কীয় তথ্য বিৱৰণ সহ লিখিতভাৱে হিচাব পৰীক্ষকৰ ওচৰত জমা দিব লাগিব। কোষাধ্যক্ষই মাচুল সংগ্ৰহ, সংগৃহীত মাচুল বেংকত জমা দিয়াৰ উপৰিও মাহৰ শেষত বিত্তীয় হিচাব-পত্ৰ লিখিতভাৱে সভাপতি আৰু কাৰ্য্যবাহী অভিযন্তাৰ ওচৰত দাখিল কৰিব।

(গ) কাৰ্য্যবাহী অভিযন্তা আৰু সভাপতিৰ মাজত কিবা মতবিৰোধ হ'লে অধীক্ষক অভিযন্তাজনে সমাধান কৰিব।

(ঘ) দৈনন্দিন ব্যৱহাৰৰ কাৰণে কাৰ্য্যবাহী অভিযন্তাজনে নগদ ১০০০·০০(এহেজাৰ) টকা হাতত ৰাখিব পাৰিব।

(ঙ) সভাপতি দীৰ্ঘদিন ধৰি অনুপস্থিত থাকিলে (কমেও পোন্ধৰ দিন) উপ-সভাপতিক চেক্ ও চহী কৰা আৰু অন্যান্য কাৰ্য্যপৰিচালনাৰ দায়িত্ব দিব লাগিব।

(চ) টকা-পইচা জমা লোৱা আৰু খৰচ কৰাৰ ক্ষেত্ৰত অসম গড়কাপ্তানি বিভাগৰ বিত্তীয় নিয়মাৱলী (financial rule) অনুসৰণ কৰিব লাগিব।

(ছ) বিভাগীয় গাণনিক বিষয়া গৰাকীয়ে সমিতিৰ জমা-খৰচৰ হিচাব বছৰত অতি কমেও দুবাৰকৈ পৰীক্ষা কৰিব।

(জ) প্ৰতি বছৰৰ জমা-খৰচৰ হিচাব কাৰ্য্যকৰী কমিটিয়ে অনুমোদন জনাব লাগিব।

১৩। অনুমোদিত [illegible] ব্যক্তিয়ে অন্য [illegible] ব্যক্তিলৈ পানী-যোগান সংযোগৰ অনুমোদন হস্তান্তৰ কৰিব নোৱাৰিব।

১৪। অনুমোদিত সংযোগৰ পৰা কোনো ব্যক্তিয়ে অন্য কোনো ঠাইলৈ সংযোগ নলী বৰ্দ্ধিত কৰিব নোৱাৰিব। এই নিয়ম ভংগ কৰিলে আইন মতে দণ্ডনীয় হ'ব।

১৫। পানী-যোগান আঁচনিত জড়িত ব্যক্তি (যেনে, পাম্পচালক, চৌকিদাৰ আদিৰ) দৰমহা ভৱিষ্যতলৈ সমিতিয়ে দিয়াৰ প্ৰয়োজনীয় ব্যৱস্থা কৰিব।

১৬। সমিতিয়ে আঁচনিৰ উন্নতি তথা বৰ্দ্ধিতকৰণৰ কাৰণে সময়ে সময়ে পৰ্য্যালোচনা কৰি ব্যৱস্থা ল'ব।

১৭। সকলো ধৰণৰ পানী-যোগানৰ সংযোগ, নলী আদিৰ কাম আৰু সুলভ মূল্যৰ শৌচাগাৰ নিৰ্মাণৰ কাম-কাজ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তত্বাৱধানত থাকিব।

১৮। আঁচনিৰ লগতে সেই ঠাইৰ পাৰিপাৰ্শ্বিকতা ৰক্ষণাবেক্ষণৰ দায়িত্ব সমিতিয়ে বহন কৰিব লাগিব।

১৯। সমিতিয়ে মাজে সময়ে খোৱা পানী আৰু সুলভ মূল্যৰ শৌচাগাৰ নিৰ্মাণৰ প্ৰয়োজনীয়তা সম্পৰ্কে সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতা অনাৰ বাবে ব্যৱস্থা ল'ব।

২০। কোনো কাৰণত সমিতিখনৰ কাৰ্য্যকাল শেষ হোৱাৰ আগতে ভংগ হ'লে নতুন সমিতি গঠন নোহোৱালৈকে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ হাতত আঁচনিৰ সম্পূৰ্ণ দায়িত্ব থাকিব।

২১। আইন সম্বন্ধীয় সকলো যাৱতীয় ব্যৱস্থা সভাপতি/সম্পাদকৰ নামত পৰিচালিত হ'ব।

২২। আঁচনি পৰিচালনা কৰা, মাচুল সংগ্ৰহ কৰা আদিত সমিতিখন যদি সফল হব নোৱাৰে, পৰিচালনা, মাচুল সংগ্ৰহকে ধৰি আঁচনিখনৰ আন সকলো দায়িত্ব জনস্বাস্থ্য কাৰিকৰী বিভাগে নিজৰ হাতলৈ নিয়াৰ ক্ষমতা থাকিব।

২৩। কাৰ্য্যকৰী সমিতিৰ সভাপতি আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা গৰাকীয়ে অধীক্ষক অভিযন্তা আৰু অন্যান্য সদস্য সকলৰ উপস্থিতিত চুক্তিত স্বাক্ষৰিত কৰিব।

"ঘৰে ঘৰে শৌচাগাৰ নিজে [illegible] লওক
সুলভ মূল্যতে পাৰি তাকে আনি থওক
বিজ্ঞান সন্মত ই সকলো গুণত
বেমাৰক কৰে ৰোধ ৰাখিব মনত ।"

"সুস্বাস্থ্যৰ চাবি-কাঠি, বিশুদ্ধ পানী
যিয়ে পান কৰে নিতে নাই তাৰ হানি ।"

"দমকল নলী নিতে
ব্যৱহাৰ কৰক
ৰোগৰ বেদনাবোৰ
দূৰতে ৰাখক ।"

"খোৱা পানী থওতে
ঢাকোন দি থব
খাবলৈ দিওতে
সাৱধান হব ।"

"চাবোনেৰে হাত ধুব
শৌচ কৰি আহি
খোৱাৰ আগতে ধুব
ভালদৰে ঘহি ।"

"ঘৰৰ চৌকাষ সদায়
ৰাখি পৰিষ্কাৰ
আহক বেমাৰক আমি
কৰো বহিষ্কাৰ ।"

## পাকঘৰ আৰু ধোৱনি পানী নিষ্কাশন

১. ইয়াৰ আৱশ্যকতা কি ?

বদ্ধ হৈ থকা পানী বেমাৰ সংক্ৰমণ আৰু পানীৰ উৎসৰ (কল/দমকল/কুঁৱা) ওচৰলৈ যোৱাত অসুবিধাৰ সৃষ্টি কৰে।

বদ্ধ পানীত মহ কণী পাৰে আৰু ইয়াৰ পৰা মেলেৰীয়া, ফাইলেৰীয়া আদি বেমাৰ বিস্তাৰ হয়।

বদ্ধ পানীয়ে মাটিৰ ওপৰভাগৰ পৰা বীজাণু আৰু বেক্টেৰীয়া কঢ়িয়াই নিয়ে। ই নিগাৰ হৈ ভূগৰ্ভত থকা পানী দূষিত কৰিব পাৰে।

২. ইয়াক কেনেকৈ কৰিব পাৰি ?

— পানীৰ কল, দমকল, কুঁৱা আদিৰ চাৰিওফালে পকা ভেটি (প্লেটফৰ্ম) বনাওক। পানীৰ উৎসৰ পৰা পানী বাগৰি যাব পৰাকৈ এটা পকাৰ নলা বনাওক।

— পাকঘৰৰ পৰা ব্যৱহৃত পানী ওলাই যাবলৈ এটা পকা নদ্দা বা নল হলেও থকা উচিত।

— মোটা বালিয়া বা পানী শুহি লোৱা ধৰণৰ মাটি হ'লে নলাটোৰ মূৰত এটা পানী শোষক গাঁত খান্দি দিব লাগে।

— বোকা বা বালিয়া বোকা মাটিয়ে সহজতে পানী নোশোহে। এনে মাটিত ওলাই যোৱা পানী শাকনি, ফুলনি আদিলৈ কেঁচা নলাৰে বোৱাই দিব পাৰি।